## REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 11-04-2025 **Time :** 0755 Hrs.

## Assamese Morning Bulletin

ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই সমাজ আৰু দেশৰ হিতৰ বাবে মেধা শক্তিৰ প্ৰয়োগ কৰিবলৈ ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰতি আহ্বান জনাইছে। যোৰহাটৰ ৰৰৈয়াত অনুষ্ঠিত অসম মহিলা বিশ্ববিদ্যালয়ৰ চৌহদত অনুষ্ঠিত চতুৰ্থ সমাৱৰ্তনত অংশগ্ৰহণ কৰি ৰাজ্যপালগৰাকীয়ে এইদৰে আহ্বান জনায়। ৰাজ্যপাল আচাৰ্যই প্ৰাচীন ভাৰতৰ গাৰ্গী, লোপামুদ্ৰাৰ পৰা আৰম্ভ কৰি ৰাণী লক্ষ্মীবাঈ, সাৱিত্ৰী বাঈ ফুলে পৰ্যন্ত বিভিন্ন ক্ষেত্ৰৰ বিদূষী মহিলাৰ উদাহৰণ দি কয় যে বৰ্তমান সময়ত মহিলাসকলে কৃত্ৰিম বুদ্ধিমত্তা, ডাটা বিজ্ঞান, সেউজ প্ৰযুক্তি আদি দিশো আয়ত্ত কৰি নিজকে সফল কৰি তুলিছে। সৰ্বভাৰতীয় উচ্চ শিক্ষা সমীক্ষাৰ তথ্য অনুসৰি বৰ্তমান উচ্চশিক্ষিত মহিলাই ৫৫ শতাংশতকৈ অধিক স্থান অধিকাৰ কৰিছে আৰু গৱেষক ছাত্ৰীৰ সংখ্যাই অভিলেখ স্পৰ্শ কৰিছে বুলি তেওঁ উল্লেখ কৰে। ৰাজ্যপালগৰাকীয়ে ডিগ্ৰীক প্ৰমাণ পত্ৰ হিচাপে গ্ৰহণ নকৰি সমাজ সেৱাৰ আহিলা হিচাপে ব্যৱহাৰ কৰিবলৈ আহ্বান জনায়। সমাৱৰ্তন সমাৰোহত ৩৩৩ গৰাকী ছাত্ৰীক ডিগ্ৰীৰ প্ৰমাণ পত্ৰ প্ৰদান কৰা হয়। অনুষ্ঠানত উদ্যোগী মহিলা অনিতা চেতিয়াক ডি লিট প্ৰদান কৰা হয়।

oooooo

ৰাজ্যত পঞ্চায়ত নিৰ্বাচনৰ বাবে মনোনয়ন পত্ৰ দাখিল পৰ্বৰ আজি সামৰণি পৰিব। জিলা প্ৰশাসনসমূহে নিৰ্বাচন নিয়াৰিকৈ অনুষ্ঠিত কৰাৰ বাবে জিলা প্ৰশাসন আৰু নিৰ্বাচন আয়োগে তৎপৰতা প্ৰদৰ্শন কৰাৰ সমান্তৰালভাৱে বিভিন্ন ৰাজনৈতিক দলসমূহৰ মাজতো নিৰ্বাচনী ব্যস্ততা দেখিবলৈ পোৱা গৈছে।

অহা ২ আৰু ৭ মে’ত দুটা পৰ্যায়ত হ’বলগীয়া পঞ্চায়ত নিৰ্বাচনৰ বাবে বিজেপিয়ে দ্বিতীয়খন প্ৰাৰ্থী তালিকা ইতিমধ্যে প্ৰকাশ কৰিছে। বিজেপিয়ে অগপ, ৰাভা-হাছং যৌথ সংগ্ৰাম সমিতি আৰু গণ শক্তিৰে মিত্ৰজোঁট গঠন কৰি আসন্ন পঞ্চায়ত নিৰ্বাচনত অৱতীৰ্ণ হোৱাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। মিত্ৰজোঁটৰ অগপই নিজৰ প্ৰতীক চিহ্নৰে নিৰ্বাচন খেলিব যদিও ৰাভা হাচং যৌথ মঞ্চ আৰু গণশক্তিয়ে বিজেপিৰ প্ৰতীক চিহ্নৰে নিৰ্বাচনত অৱতীৰ্ণ হ’ব। এই নিৰ্বাচনত ৩৯৭ খন জিলা পৰিষদৰ আসনৰ ভিতৰত ৩১৮ খন আসনত বিজেপিয়ে প্ৰতিদ্বন্দ্বিতা কৰিব। ইয়াৰে ১৭২ খন আসনত মহিলা প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা কৰিব। নগাঁও জিলাত ২৭ খন জিলা পৰিষদৰ আসনৰ ১৯ খনত বিজেপিয়ে প্ৰাৰ্থিত্ব দিছে। মিত্ৰদল অগপই ৮ খন আসনত প্ৰাৰ্থিত্ব ঘোষণা কৰিছে। শিৱসাগৰ জিলাত পঞ্চায়ত নিৰ্বাচনক লৈ বিজেপি মিত্ৰজোঁটৰ লগতে কংগ্ৰেছ আৰু ৰাইজৰ দলৰো তৎপৰতা বৃদ্ধি পোৱা পৰিলক্ষিত হৈছে। বিগত লোকসভা নিৰ্বাচনত শিৱসাগৰ জিলাৰ তিনিটা বিধানসভা সমষ্টিত উন্নত ফলাফল প্ৰদৰ্শন কৰিবলৈ সমৰ্থ হোৱা কংগ্ৰেছ দলে পঞ্চায়ত নিৰ্বাচনত এই ফলাফলৰ ধাৰা অব্যাহত ৰাখিবলৈ অহোপুৰুষাৰ্থ কৰিছে। জিলাখনত জিলা পৰিষদৰ ১২ খন আসনত কংগ্ৰেছ সমৰ্থিত ১২ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াব। শাসকীয় দল বিজেপিয়েও সাংগঠনিক ভেটি শক্তিশালী কৰি পঞ্চায়ত নিৰ্বাচনত ভাল ফলাফল প্ৰদশন কৰিবলৈ প্ৰচেষ্টা চলাইছে। ৰাইজৰ দল, অসম জাতীয় পৰিষদ, চি পি আই, গণশক্তি ইত্যাদি দলসমূহেও সমৰ্থিত প্ৰাৰ্থী পঞ্চায়ত নিৰ্বাচনত প্ৰক্ষেপ কৰিছে।

গণ শক্তিয়ে জোনাইৰ ৪ খন, মাজুলী আৰু ঢকুৱাখনাত এখনকৈ আসনত প্ৰতিদ্বন্দ্বিতা কৰিব। একেদৰে ৰাভা-হাছং যৌথ সংগ্ৰাম সমিতিয়ে গোৱালপাৰা আৰু দক্ষিণ শালমাৰাত প্ৰতিদ্বন্দ্বিতা কৰিব। এইপৰ্যন্ত মিত্ৰদল অগপক জিলা পৰিষদৰ ৭৩ খন আসন এৰি দিয়া হৈছে। ছখন আসনক লৈ প্ৰাৰ্থী তালিকা এতিয়াও চূড়ান্ত হোৱা নাই। ইপিনে ৰাজ্যৰ প্ৰধান বিৰোধী দল কংগ্ৰেছে আভ্যন্তৰীণ সংঘাতৰ বাবে এতিয়ালৈকে প্ৰাৰ্থীৰ তালিকা চূড়ান্ত কৰিব পৰা নাই।

০০০০০০০

গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰাক্তন অধ্যাপক, ভাষাতত্ববিদ, লেখক, কবি, সম্পাদক ড° নগেন ঠাকুৰৰ কালি দেৰগাঁৱৰ নিজ বাসগৃহত দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৮৬ বছৰ। ১৯৩৯ চনত ২৯ আগষ্টত জন্মগ্ৰহণ কৰা প্ৰয়াত ঠাকুৰৰ অসমীয়া ভাষা বিষয়ক ১৩ খন গ্ৰন্থ প্ৰণয়ন কৰি উলিওৱাৰ লগতে পালি প্ৰাকৃত অপভ্ৰংশ আৰু অসমীয়া ভাষা বিষয়ক গৱেষণামূলক গ্ৰন্থৰে ভাষাটোলৈ অনবদ্য অৱদান আগবঢ়াই থৈ গৈছে। তেওঁৰ মিখাইল ছলোকভৰ এণ্ড কুৱাইট ফ্ল’জ দা ডন নামৰ উপন্যাসখনৰ অসমীয়া অনুবাদ **ধীৰে বৈ যায় ডন** এখন বহুপাঠিত গ্ৰন্থ। এই গ্ৰন্থখনৰ অনুবাদৰ বাবে ১৯৭৩ চনত তেওঁক ছোভিয়েট দেশ নেহৰু বঁটাৰে সন্মানিত কৰা হৈছিল। ১৯৬৪ চনত তেওঁ গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা ৰবীন্দ্ৰ পৰিষদ পুৰস্কাৰো লাভ কৰিছিল। প্ৰয়াত ঠাকুৰে অসমীয়া ভাষা আৰু ব্যাকৰণ, নীলমণি ফুকনৰ জীৱন কৃতি ইত্যাদি গ্ৰন্থ সম্পাদনা কৰি উলিয়াইছিল। হেমকোষৰ চতুৰ্দশ সংস্কৰণত ৫০ হাজাৰতকৈ বেছি নতুন শব্দ ভাষাতত্ববিদজনে সংযোগ কৰিছিল।

০০০০০০

গুৱাহাটীৰ আগঠুৰীৰ পৰা তেজপুৰৰ ডেকাৰগাঁৱলৈ ১৫৫ কিলোমিটাৰ আৰু তেজপুৰৰ পৰা তেজপুৰ-শিলঘাট সংযোগী ২৫ কিলোমিটাৰ দৈৰ্ঘ্যৰ নতুন ৰেললাইন প্ৰকল্পৰ চূড়ান্ত স্থান জৰীপত কেন্দ্ৰীয় ৰে’ল মন্ত্ৰালয়ে অনুনোদন জনাইছে। বিগত চাৰিটা বৰ্ষত অসমৰ ১৯টা জৰীপত অনুমোদন জনোৱা হৈছে।

০০০০০০

**সমাপ্ত**